সম্প্ৰসাৰণ বুলেটিন নং ৭/২০১২-১৩

# চাহ গছত আক্ৰমণকাৰী কীট-পতংগ

# আৰু ইয়াৰ নিয়ন্ত্ৰণ

দিগন্ত কুমাৰ বৰা
ডঃ অমল চন্দ্ৰ শৰ্মা
ৰূপক কুমাৰ নাথ

কৃষি বিজ্ঞান কেন্দ্ৰ
অসম কৃষি বিশ্ববিদ্যালয়
তিনিচুকীয়া

**হেল’পেলটিছ :**

এইবিধ পোকে প্ৰতি বছৰে চাহ গছত ব্যাপক আক্ৰমণ কৰা দেখা যায়। পূৰ্ণাংগ আৰু অপৈণত অবস্থাপ্ৰাপ্ত পোকবোৰে গছৰ কুমলীয়া পাতৰ ৰস শুহি খায় আৰু পাতবোৰ চাহ উৎপাদনৰ অনুপযোগী হৈ পৰে । সাধাৰণতে শীতকালত এইবিধ পোকৰ আক্ৰমণ কমি যায় আৰু মাৰ্চ মাহৰ পৰা আক্ৰমণ আৰম্ভ হয়।

**নিয়ন্ত্ৰণ:-**

- অতিমাত্ৰা ছাঁ পৰা তথা একেবাৰে ছাঁ গছ নথকা বাগানত এইবিধ পোকৰ আক্ৰমণ বেছি হয় ।
- শীতকালত যেতিয়া বাগানখনত প্ৰুণিং কৰা হয় তেতিয়া চাৰিওসীমাৰ পৰা আৰম্ভ কৰি মাজৰ অংশ কৰিব লাগে আৰু ১০-১২ জোপা গছ পিছত প্ৰুণিং কৰিব লাগে। এনেদৰে পিছত প্ৰুণিং কৰা গছবোৰত কীটনাশক স্প্ৰে কৰি প্ৰুণিং কৰিলে সহজে পোকবিধ নিয়ন্ত্ৰণ কৰিব পাৰি।
- হেলপেলটিছৰ আক্ৰমণ হ’লে বাগানখনৰ চাৰিসীমাত থকা ২-৩ শাৰী গছ প্ৰথমে স্প্ৰে কৰিব লাগে। ইয়াৰ ফলত বাগানৰ ভিতৰত থকা হেলপেলটিছৰবোৰ কাষৰ বাগানলৈ উৰি যাব নোৱাৰা হয়। ইয়াৰ পিছত ভিতৰৰ গছবোৰ স্প্ৰে কৰিব লাগে।
- হেলপেলটিছৰ ৰাতিপুৱা, সন্ধিয়া তথা ৰাতিৰভাগত হয়। সেয়েহে স্প্ৰেয়িং সদায় ৰাতিপুৱা বা আবেলি সময়ত কৰিব লাগে।
- পাততোলা সময়ত আক্ৰান্ত পাতবোৰ হাতেৰে গুচাই দিব লাগে। আক্ৰমণ অধিক হ’লে গছবোৰ পাতলীয়াকৈ স্কিপ কৰি দিব লাগে।
- কম পৰিমাণে আক্ৰমণ হ’লে নিম গছৰ পৰা তৈয়াৰী দৰৱ যেনে ইকটিন, নিমবিয়নৰ ১ লিটাৰ দৰৱ ১৫০০ লিটাৰ পানীত মিহলাই স্প্ৰে কৰিব লাগে।

কেইবিধমান অনুমোদিত কীটনাশক –

Deltamethrin 2.8 EC 100 মি:লি: + 200 লি: পানী অথবা

Phosalone 35 EC 500 মি:লি: + 200 লি: পানী অথবা

Quinalphos 25 EC 500 মি:লি: + 200 লি: পানী অথবা

Azadiractin 5% 135 মি:লি: + 200 লি: পানী

**ৰে’ড স্পাইডাৰ:-**

এইবিধ পোকৰ আক্ৰমণ সাধৰণতে খৰাং বতৰত বেছিকৈ হয়। পূৰঠ পাতবিলাকৰ উপৰিভাগৰ পৰা অপৈণত আৰু পূৰ্ণাংগ পোকবোৰে পাতৰ ৰস শুহি খায়। আক্ৰান্ত পাতবোৰ দূৰৰ পৰা দেখাত ৰঙা-মুগা বৰণৰ হয়। অতিমাত্ৰা আক্ৰমণ হ’লে পাতবিলাক গছৰ পৰা সৰি পৰে। সাধাৰণতে প্ৰুণিং নকৰা গছবোৰত এইবিধ পোকৰ আক্ৰমণ বেছি হয়।

**নিয়ন্ত্ৰণ:-**

- গছবোৰত ধূলি পৰি থাকিলে পোকৰ বংশ বৃদ্ধি সহজতে হয়। সেয়েহে ৰাস্তাৰ দাঁতিত থকা বাগানৰ কাষত বেৰা দিয়া গছ যেনে *Lanatana camera, Clerodendron* আদি গছবোৰ শাৰী শাৰীকৈ ৰুব লাগে।
- বাগানত ১২মি: x ১২মি: ব্যৱধানত স্থায়ী ছাঁ গছ আৰু ৬ মি: x ৬ মি: ব্যৱধানত অস্থায়ী ছাঁ গছ ৰুব লাগে।

- প্রুণিং নকৰা বাগানত জানুৱাৰী মাহত দুবাৰ ১৫ দিনৰ ব্যৱধানত কীটনাশক স্প্ৰে কৰিব লাগে।
- প্ৰখৰ ৰ'দৰ দিনত ৰাতিপুৱা বা আবেলি সময়ত কীটনাশক স্প্ৰে কৰিব লাগে।
- ৰে'ড স্পাইডাৰ নিয়ন্ত্ৰণ কৰিবলৈ দৰৱ স্প্ৰে কৰোঁতে কেতিয়াও অন্য দৰৱৰ লগত মিহলাব নালাগে।
- কীটনাশক স্প্ৰে কৰোঁতে পাতৰ দুয়োফালে ভালদৰে তিয়াব লাগে।

**কেইবিধমান কীটনাশক আৰু ইয়াৰ প্ৰয়োগৰ পৰিমাণ-**

Fenpyroximate 5 EC ১০০ মি:লি: + ২০০ লি: পানী অথবা
Propergite 57 EC ৫০০ মি:লি: + ২০০ লি: পানী অথবা
Sulphur 80WG ১০০০ গ্ৰাম + ২০০ লি: পানী অথবা
Ethion 50 EC ৫০০ মি:লি: + ২০০ লি: পানী

**লুপাৰ কেটাৰপিলাৰ-**

চাহবাগানত থকা ছাঁ গছবোৰৰ গা-গছৰ অসমান অংশত পখিলাবোৰে কণী পাৰে । পোৱালী বিছাবোৰ মূগা বৰণীয়া হয় । লাহে লাহে বিছাবোৰ সেউজীয়া হ'বলৈ ধৰে । বিছাবোৰে লালটিৰ সহায়ত কিছুমান সূতা সৃষ্টি কৰি ছাঁ গছৰপৰা তললৈ নামি আহে আৰু চাহ গছৰ পাত খাবলৈ ধৰে । পূৰ্ণাংগ পখিলা অৱস্থা পোৱাৰ আগতে ই পাঁচবাৰ মোট সলায় ।

**নিয়ন্ত্ৰণ:-**

- শীতকালত প্ৰুণিংৰ পিছত চাহগছজোপাত চূণৰ প্ৰলেপ (৩ কেজি কষ্টিক চ'ডা + ৩ কেজি চূণ + ১০০ লিটাৰ পানী) দিব লাগে । অনুৰূপ ধৰণে বাগানৰ ছাঁ গছ বোৰত মাটিৰ পৰা ৫ ফুট ওপৰলৈ চূণৰ প্ৰলেপ দিব লাগে ।
- বিছাবোৰ সৰু থকা অৱস্থাত ৫০০ মিলি লিটাৰ Quinalphos, ২০০ লিটাৰ পানীত মিহলাই স্প্ৰে কৰিব লাগে ।
- বিছাবোৰ ডাঙৰ হৈ গ'লে ১০০ মিলি লিটাৰ Alphamethrin অথবা Cypermethrin, ২০০ লিটাৰ পানীত মিহলাই স্প্ৰে কৰিব লাগে ।
- জানুৱাৰী-ফ্ৰেব্ৰুৱাৰী মাহত বাগানত পাতলীয়াকৈ কোৰ মাৰিলে মাটিত থকা পিউপা (Pupa) বোৰ নষ্ট হয় ।
- বিছাবোৰ চাহগছৰপৰা হাতেৰে সংগ্ৰহ কৰি বাগানৰ পৰা আঁতৰত নষ্ট কৰি পেলাব লাগে ।
- লুপাৰৰ পখিলাবোৰ দেখিলে বাগানত আকাশ বন্তিৰ ব্যৱস্থা কৰি ইয়াক নিয়ন্ত্ৰণ কৰিব পাৰি ।

**বাঞ্চ কেটাৰপিলাৰ-**

পোৱালি বিছাবোৰে পাৰত তলৰফালে থুপ খাই থাকে । প্ৰথম অৱস্থাত এইবোৰে পাতৰ কাষৰ পৰা খাবলৈ আৰম্ভ কৰি শেষত গোটেই পাতখিলা খাই পেলায় ।   কেইজোপামান গছৰ পাত খোৱাৰ পিছত বিছাবোৰে পূৰ্ণাংগ অৱস্থা পায় ।মাৰ্চৰ পৰা নবেম্বৰ মাহলৈকে এইবিধ পতংগৰ জীৱন-চক্ৰৰ চাৰিটা পৰ্য্যায় সম্পূৰ্ণ হয় ।

**নিয়ন্ত্ৰণ:-**

- গছত বিছাবোৰ দেখা পালে তুৰন্তে হাতেৰে গুচাই দিব লাগে ।
- ডিচেম্বৰ-জানুৱাৰী মাহত বাগানত পাতলীয়াকৈ কোৰ মাৰিব লাগে ।
- পখিলা অৱস্থাত (অক্টোবৰ/নবেম্বৰ আৰু মাৰ্চ/এপ্ৰিল) মাহত বাগানত আকাশ বন্তিৰ ব্যৱস্থা কৰি ইয়াক নিয়ন্ত্ৰণ কৰিব পাৰি ।
- Phosalone অথবা Quinalphosৰ ৫০০ মিলি লিটাৰ দৰৱ ২০০ লিটাৰ পানীত মিহলাই স্প্ৰে কৰিব লাগে । ডাঙৰ বিছাৰ ক্ষেত্ৰত Deltamethrin, Cypermethrin অথবা Fenvelerateৰ ১০০ মিলি লিটাৰ দৰৱ ২০০ লিটাৰ পানীত মিহলাই স্প্ৰে কৰিলে ইয়াক নিয়ন্ত্ৰণ কৰিব পাৰি ।

**গ্ৰীণ ফ্লাই/টি জেচিদ-**

পূৰ্ণাংগ আৰু অ- পূৰ্ণাংগ দুয়োটা পৰ্য্যায়তে এইবিধ পোকে চাহগছৰ কোমলীয়া পাতৰ তলফালৰ পৰা পাতৰ ৰস শুহি খায় ।আক্ৰান্ত পাতবোৰ ক্ৰমান্বয়ে তললৈ ধেনুভিৰিয়া হৈ পৰে আৰু মুগাবৰণীয়া হৈ শুকাবলৈ ধৰে । এইবিধ পোকৰ আক্ৰমণ মে' মাহৰ পৰা জুন পৰ্য্যন্ত হোৱা দেখা যায় ।

**নিয়ন্ত্ৰণ:-**

- বাগানখন বন-বাত মুক্ত কৰি ৰাখিব লাগে ।
- Quinalphos/Chloropyriphos ৰ ৫০০ মিলি লিটাৰ দৰৱ ২০০ লিটাৰ পানীত মিহলাই হস্তচালিত স্প্ৰেয়াৰেৰে পোন্ধৰ দিনৰ মূৰে মূৰে দুবাৰ স্প্ৰে কৰিব লাগে ।
- দৰৱ স্প্ৰে কৰোতে পাতৰ দুয়োফালে তিতি যোৱাকৈ স্প্ৰে কৰিব লাগে ।
- একেবিধ দৰৱ বাৰে বাৰে প্ৰয়োগ কৰাতকৈ সলনা সলনিকৈ ব্যৱহাৰ কৰিলে কীট-পতঙ্গৰ নিয়ন্ত্ৰণ আশানুৰুপ হয়। কীটনাশক সদায় পাত তোলাৰ পিছতহে প্ৰয়োগ কৰিব লাগে।



**ৰেড স্পাইডাৰ**



**লুপাৰ**

অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ কৃষি বিজ্ঞান কেন্দ্ৰ, তিনিচুকীয়াৰ দ্বাৰা প্ৰকাশিত